**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-04-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
***0000***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে সমগ্ৰ দেশে এতিয়া উত্তৰ পূৰ্বাঞ্চলৰ সুষম বিকাশ দেখিছে আৰু পশ্চিম বংগও এতিয়া ঐতিহাসিক ৰূপান্তৰৰ দিশে আগবাঢ়িব।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পাঁচদিনীয়া ভ্ৰমণসূচী লৈ আজি হিমাচল প্ৰদেশৰ ছিমলাত উপস্থিত হৈছে।

৪। ৰাজ্যসভাত বিজেপিৰ সাংসদৰ সংখ্যা ১১৩লৈ বৃদ্ধি হৈছে বুলি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ্ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে দেশৰ প্ৰথমখন স্বাধীনতা যুঁজ ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহত পশ্চিম বংগৰ বেৰেকপুৰে গুৰুত্বপূৰ্ণ ভূমিকা পৰিগ্ৰহণ কৰিছিল। পশ্চিম বংগ বিধানসভাৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ চলাই আজি জিলেপি মঠৰ এখন সভাত প্ৰধানমন্ত্ৰীয়ে এইদৰে কয়। তেওঁ কয় যে এই বেৰেকপুৰ এতিয়া পশ্চিম বংগৰ পৰিৱৰ্তনৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ হৈ উঠিছে। তেওঁ নিৰ্বাচনী সভাত পৰিৱৰ্তনৰ প্ৰয়োজনীয়তাৰ আহ্বান জনায়। প্ৰধানমন্ত্ৰীয়ে কয় যে সমগ্ৰ দেশে এতিয়া উত্তৰ পূৰ্বাঞ্চলৰ সুষম বিকাশ দেখিছে আৰু পশ্চিম বংগও এতিয়া ঐতিহাসিক ৰূপান্তৰৰ দিশে আগবাঢ়িব।

০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযানৰ আজি সন্ধিয়া সামৰণি পৰিব। এই পৰ্যায়ত অহা ২৯ এপ্ৰিলত ১৪২টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণ হ'বলগীয়া জিলা কেইখন হৈছে –কলকাতা উত্তৰ, কলকাতা দক্ষিণ, হাওৰা, নাদিয়া, উত্তৰ চৌবিবশ পৰগনা, দক্ষিণ চৌবিবশ পৰগনা, হুগলী আৰু পূৰ্ব বৰ্ধমান।

ৰাজ্যখনত সকলো ৰাজনৈতিক দলৰ নেতাই ৰেলী আৰু ৰোডশ্ব'ত অংশ লৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে যাদৱপুৰৰ সুকান্ত সেতুত যাদৱপুৰ আৰু তলিগঞ্জৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰেলীত অংশ ল'ব। শ্ৰীমতী বেনাৰ্জীয়ে তেওঁৰ নিজা সমষ্টি ভৱানীপুৰতো প্ৰচাৰ চলাব। তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়ে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰানাঘাট, হুগলী, আৰমবাগ আৰু মহেশতালাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰিব।

ৰাজ্যখনত যোৱা ২৩ এপ্ৰিলত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণত ৯৩ দশমিক ১–৯ শতাংশ অভিলেখ ভোটদান হয়।

নিৰ্বাচন আয়োগে ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে।

উল্লেখযোগ্য যে অসম, কেৰলম, পশ্চিমবংগ, তামিলনাডু আৰু কেন্দ্ৰীয়শাসিত অঞ্চল পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা অহা ৪ মে'ত অনুষ্ঠিত হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ছিকিম ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ ৫০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কাৰ্যসূচীৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ বাবে প্ৰায় ৪ হাজাৰ কোটিতকৈ অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ন ত্বৰান্বিত কৰাৰ উদ্দেশ্যে এই প্ৰকল্পসমূহৰ অধীনত পৰ্যটন, কৃষি, পৰিবেশ, নগৰ উন্নয়ন, শক্তি, শিক্ষা, স্বাস্থ্য সেৱা, যোগাযোগ তথা আন্তঃগাঁথনিকে ধৰি বিভিন্ন খণ্ডক সামৰি লোৱা হৈছে। শ্ৰী মোদীয়ে বিয়লিৰ ভাগত এম জি মাৰ্গৰ বিৰালু দ্বাৰত এটা ৰোড শ্ব'ত অংশ ল'ব। তেওঁ লগতে ৰাজ্যখনৰ বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব।

ooooooooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ ২০২৬ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়া মুকলি কৰা হৈছে। অহা ৩১ জুলাইৰ ভিতৰত ৫ৰ পৰা ১৮ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে এই পুৰস্কাৰৰ বাবে মনোনয়ন আগবঢ়াব পাৰিব। সমগ্ৰ দেশৰ শিশুৰ অসাধাৰণ সাফল্যক স্বীকৃতি জনাই ৰাষ্ট্ৰপতিয়ে প্ৰতি বছৰে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰি আহিছে। সাহসিকতা, সমাজ সেৱা, পৰিবেশ, ক্ৰীড়া, কলা-সংস্কৃতি আৰু বিজ্ঞান প্ৰযুক্তি আদি ক্ষেত্ৰত বিশেষ পাৰদৰ্শিতা তথা সাফল্য প্ৰদৰ্শন কৰা শিশুক এই পুৰস্কাৰ দিয়া হয়। এই বছৰৰ মনোনয়ন কেৱল ৰাষ্ট্ৰীয় বঁটা পোৰ্টেলৰ জৰিয়তে দাখিল কৰিব পাৰিব। স্ব-মনোনয়ন আৰু অনুমোদনকো এই ক্ষেত্ৰত বিবেচনা কৰা হ'ব।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু পাঁচদিনীয়া ভ্ৰমণসূচী লৈ আজি হিমাচল প্ৰদেশৰ ছিমলাত উপস্থিত হৈছে। ছিমলাত তেওঁ ৰাজ্যপাল কবিন্দৰ গুপ্তা, মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু, বিধানসভাৰ অধ্যক্ষ কুলদীপ সিং পাঠানিয়া, পঞ্চায়তীৰাজ মন্ত্ৰী অনিৰুদ্ধ সিং আৰু সাংসদ সুৰেশ কুমাৰ কাশ্যপে আদৰণি জনায়। কাইলৈ ছিমলাৰ লোকভৱনত ৰাষ্ট্ৰপতিগৰাকীৰ সন্মানাৰ্থে ৰাজ্যপালৰ উদ্যোগত ভোজ মেলৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ২৯ এপ্ৰিলত অটল টানেল পৰিদৰ্শন কৰিব। এই ভ্ৰমণত তেওঁ সীমান্ত পথ সংস্থাৰ বিষয়াবৰ্গৰে মত-বিনিময় কৰিব আৰু এই ঐতিহাসিক টানেলৰ বিষয়ে অৱগত হ'ব। তাৰ পিছদিনা ৰাষ্ট্ৰপতি পালামপুৰত চৌধুৰী চৰৱন কুমাৰ হিমাচল প্ৰদেশ কৃষি বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। একে দিনাই তেওঁ ছিমলাত **আৰট্ৰেক**ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

ৰাষ্ট্ৰপতিৰ ভ্ৰমণ উপলক্ষে ৰাজ্যখনত যথোপযুক্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। ছিমলাত এহেজাৰৰো অধিক নিৰাপত্তা বাহিনীৰ জোৱান নিয়োগ কৰা হৈছে। পালামপুৰ, মানালী, অটল টানেল আৰু অন্যান্য স্থানতো বিশেষ নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

ooooooooo

ৰাজ্যসভাত বিজেপিৰ সাংসদৰ সংখ্যা ১১৩লৈ বৃদ্ধি হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি এই তথ্য  দি কয় যে ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আম আদমী পাৰ্টিৰ পৰা অহা সাতগৰাকী সাংসদক বিজেপিত যোগদানৰ ক্ষেত্ৰত অনুমোদন

জনাইছে। এই সাংসদসকল হৈছে ৰাঘৱ চাধা, অশোক মিট্টাল, সন্দীপ পাঠক, স্বাতী মালিৱাল, হৰভজন সিং, ৰাজিন্দৰ গুপ্তা আৰু বিক্ৰম সাহানি। এই সাংসদসকলৰ বিজেপিত যোগদানৰ পাছত এতিয়া উচ্চ সদনত আম আদমী পাৰ্টীৰ সাংসদ তিনিগৰাকীলৈ হ্ৰাস হ'ল।

মন্ত্ৰী ৰিজিজুৱে বিজেপিলৈ অহা সাংসদকেইগৰাকীক আদৰণি জনাই কয় যে তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাষ্ট্ৰ নিৰ্মাণলৈ অনন্য অৱদান আগবঢ়াব।

000000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কাইলৈ কাৰ্গিস্তানৰ বিছকেকত হ'বলগীয়া চাংহাই সহযোগিতা সংস্থাৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত উপস্থিত থাকিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী সিঙে উল্লেখ কৰে, যে এই বৈঠকৰ সময়ছোৱাত তেওঁ বিশ্ব শান্তি তথা বিশ্বজুৰি সৃষ্টি হোৱা নিৰাপত্তামূলক প্ৰত্যাহ্বানসমূহৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা আৰু প্ৰতিশ্ৰুতিত আলোকপাত কৰিব। তেওঁ লগতে কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ ক্ষেত্ৰত গ্ৰহণ কৰা শূন্য সহনশীলতাৰ বাৰ্তা প্ৰেৰণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে তেওঁ চাংহাই সহযোগিতা সংস্থাৰ অন্যান্য অংশীদাৰসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু বিছকেকত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে বাৰ্তালাপ কৰিব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নীতি আয়োগৰ পূৰ্ণকালীন সদস্যৰূপে নতুনকৈ নিযুক্তি প্ৰাপ্ত ডং গোৱৰ্ধন দাসক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ডং দাসৰ ব্যক্তিগত জীৱনযাত্ৰা যথেষ্ট অনুপ্ৰেৰণামূলক আৰু তেওঁ সমাজৰ প্ৰতি সেৱাৰ মনোভাৱেৰে জীৱনৰ প্ৰতিটো প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে ডং গোৱৰ্ধন দাসে জনস্বাস্থ্য আৰু ৰোগ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত অসামান্য বৰঙণি আগবঢ়াইছে। শ্ৰী মোদীয়ে কয়, যে ডং দাসৰ কৰ্ম অভিজ্ঞতা আৰু বিশেষ জ্ঞানে দেশৰ নীতি নিৰ্ধাৰণ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

000000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে দিয়া আগজাননী অনুসৰি আজি অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বিভাগে জনোৱা অনুসৰি উত্তৰ-পূব ভাৰতৰ বিভিন্ন স্থানৰ লগতে দিল্লী, চণ্ডীগড়, ছত্তিশগড়, জম্মু-কাশ্মীৰ, মধ্য প্ৰদেশ, ঝাৰখণ্ড, ওড়িশা, পশ্চিম বংগৰ ঠাইবিশেষে গাজনি ঢেৰেকনিৰে বৰষুণ অহাৰ লগতে বতাহ বলাৰ সম্ভাৱনা আছে।

ইপিনে, ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল তথা দিল্লীত আজি তাপমাত্ৰা ৪৪ ডিগ্ৰী ছেলছিয়াছ পৰ্যন্ত হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে জনাইছে। হাৰিয়ানা, চণ্ডীগড়, মধ্য প্ৰদেশ, পঞ্জাব, ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, গুজৰাট আৰু বিদৰ্ভতো আজি তাপমান বৃদ্ধিৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। বিভাগৰ মতে অহা দুদিনত অন্ধ্ৰ প্ৰদেশ আৰু তামিলনাডুত বতৰ গৰম তথা শুকান হৈ থাকিব।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত দেলহী কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

0000000

সমাপ্ত